**বিছমিল্লাহিৰ ৰাহমানিৰ ৰাহিম**

# খোতবা ঈদুল আজহা

## আমাৰ ঈদ কেৱল প্ৰদৰ্শণীয় হোৱা উচিত নহয়, বৰঞ্চ আল্লাহ আৰু ভৃত্যসকলৰ অধিকাৰ আদায় কৰা ঈদ হোৱা উচিত

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهٗ لَا شَرِيْكَ لَهٗ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔
بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔
إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔
صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)এ ৬ জুন ২০২৫ চনত মছজিদ মোবাৰক ইছলামাবদ (ইউ,কে)ত প্ৰদান কৰা ঈদুল আজহাৰ খোতবাৰ সাৰাংশ**

তাশ্বাহুদ তাউ'জ, ছুৰা আল-ফাতিহা আৰু ছুৰা আল-হজ্জৰ ৩৫ ৰ পৰা ৩৯ লৈকে আয়াতসমূহ পাঠ কৰি ইয়াৰ অনুবাদৰ পিছত হজৰত আমীৰুল মুমিনীন (আঃ)এ কৈছে:

এই বিষয়টোত আমাক বুজোৱা হৈছে যে কোৰবানীৰ অৰ্থ কেৱল এইটো নহয় যে আপুনি আনৰ পৰা কোৰবানী ল'ব যিদৰে ঈদ-উল-আযহাৰ সময়ত পশু কোৰবানী কৰা হয়। বৰঞ্চ তোমালোকক এইটো বুজোৱা হৈছে যে উত্তম বস্তুৰ বাবে নিম্ন বস্তু ত্যাগ কৰা হয়, সেয়েহে তোমালোকে সৃষ্টিকৰ্তা আল্লাহৰ বাবে কোৰবানী দিবলৈ সদায় সাজু থকা উচিত। আল্লাহে তোমালোকৰ পৰা কেৱল ধৰ্মপৰায়ণতা অৱলম্বন কৰাটো আশা কৰে। আল্লাহ তা'লাই তোমালোকৰ পৰা কেৱল এইটোৱেই বিচাৰে যে তেওঁৰ ভয় আৰু শংকা তোমালোকৰ হৃদয়ত থাকক আৰু তোমালোকে সদায় এইটো চেষ্টা কৰা উচিত যে মই কেনেকৈ তেওঁৰ আদেশ পালন কৰি তেওঁৰ সন্তুষ্টি লাভ কৰিব পাৰোঁ।

হুজুৰ (আইঃ)-এ কৈছে: আজিকালি পাকিস্তানত জামাতে আহমদীয়াৰ কোৰবানীৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰা হৈছে আৰু যোৱা কেইবছৰমানৰ পৰা আমাক কোৰবানীৰ পৰা বিৰত ৰখা হৈছে। কিন্তু আচল কথাটো হ'ল তাকওৱা, অৰ্থাৎ যদি কোৰবানী কৰিবলৈ দিয়া নহয়ো, তথাপিও আল্লাহ তা'লাই আমাৰ অন্তৰৰ উদ্দেশ্য জানে যে আমি কি নিয়তেৰে কোৰবানী কৰিব বিচাৰোঁ। যদি আমাৰ নিয়ত তাকওৱাৰ ওপৰত ভিত্তি কৰি হয় আৰু কোৰবানী (উৎসৰ্গা) দিয়াৰ ইচ্ছা থাকে, কিন্তু কোৰবানী দিব নোৱাৰা স্বত্বেও আল্লাহ তা'লাই আমাৰ কোৰবানী গ্ৰহণ কৰিব। যিসকল লোকে লোকক দেখুৱাবলৈ

কোৰবানী কৰে, সেয়া আচলতে ধৰ্মপৰায়ণতা বিহীন কোৰবানী। তেনে লোকসকলে আল্লাহৰ আদেশ পালন কৰিছে নে? আল্লাহে লোকৰ অধিকাৰ খৰ্ব কৰিবলৈ আদেশ দিছে নে? আল্লাহে কৈছে নে যে লোকৰ ওপৰত অত্যাচাৰ কৰা বা তেওঁলোকক উপাসনা কৰাত বাধা দিয়া? আল্লাহে কেতিয়াও এনে আদেশ দিয়া নাই।

আল্লাহে প্ৰতিগৰাকী ব্যক্তি যিয়ে لَاإِلٰہَ اِلَّا اللہ পাঠ কৰিছে, তেওঁক এজন মুছলমান বুলি ঘোষণা কৰিছে। কিন্তু আজিকালি পাকিস্তানত আহমদীসকলৰ সৈতে যি কৰা হৈছে, সেয়া আল্লাহৰ পৰা দূৰত থকা লোকৰ কাম। এয়া ঘোৰ অন্যায়। যিয়েই নহওক, আমাৰ কৰ্তব্য হ'ল এয়া বুজি পোৱা যে এই কোৰবানীসমূহ আল্লাহৰ নৈকট্য লাভৰ বাবেহে কৰা হয়। সেয়েহে, যদি আমি কোৰবানী দিব নোৱাৰোঁ, আল্লাহে তথাপিও ইয়াক গ্ৰহণ কৰিব, কিয়নো খোদা তা'লাই কৈছে যে তোমালোকৰ কোৰবানীৰ মাংস বা তেজ মোৰ ওচৰলৈ নাযায়, বৰঞ্চ তোমালোকৰ তাকওৱাহে মোৰ ওচৰ পায়গৈ।

আল্লাহে স্পষ্টকৈ কৈছে যে তোমালোকৰ জন্মৰ উদ্দেশ্য হৈছে আল্লাহৰ অধিকাৰ পূৰণ কৰা আৰু তেওঁৰ উপাসনা কৰা। ইয়াৰ ভিতৰত প্ৰথমটো কাম হ'ল জামাতৰ সৈতে নামাজ আদায় কৰা। আজিকালি যেতিয়া চাৰিওফালৰ পৰা বাধা আহিছে, তেতিয়া আমাৰ কৰ্তব্য হৈছে আমি আগতকৈ বেছি যত্নসহকাৰে আমাৰ নামাজৰ সুৰক্ষা কৰা। আমি আল্লাহৰ ওচৰত কান্দি কান্দি প্ৰাৰ্থনা কৰা উচিত, যেনেকৈ এটা বলি দিয়া জন্তুৱে চটফটায়, তেনেকৈ আমাৰ কাৰ্য্যবোৰো প্ৰকাশ পোৱা উচিত। পাকিস্তানত বাস কৰা আহমদীসকলে এই দিশত বিশেষ গুৰুত্ব দিয়া উচিত। আমি নামাজ কেৱল এটা বোজা হিচাপে নহয়, বৰঞ্চ ইয়াৰ প্ৰকৃত অধিকাৰ পূৰণ কৰি আদায় কৰিব লাগে। নামাজ জামাতৰ সৈতে আৰু সম্পূৰ্ণ একাগ্ৰতাৰে পঢ়িব লাগে।

হুজুৰে কৈছে: আজি এই প্ৰতিজ্ঞা কৰক যে আমি আমাৰ উপাসনাৰ মানদণ্ড উন্নত কৰিম। পাকিস্তানত হয়তো আমাক ঈদৰ নামাজ পঢ়িবলৈ অনুমতি দিয়া নহ'ব, প্ৰশাসনে বাধা আৰোপ কৰিব বা কৰি আছে, কিন্তু আমি সেইবোৰলৈ কাণ নিদি আমাৰ হৃদয়ত নিৰাশাক ঠাই দিব নালাগে। প্ৰয়োজন হ'লে নিজৰ ঘৰতে ঈদৰ নামাজ পঢ়ক। কিন্তু এই প্ৰতিজ্ঞা কৰক যে আমি আল্লাহৰ উপাসনা কৰিবলৈ আৰু তেওঁৰ সৃষ্টিৰ (বান্দাৰ) অধিকাৰ পূৰণ কৰিবলৈ চেষ্টা কৰিম। নামাজৰ প্ৰকৃত মৰ্যাদা ৰক্ষাৰ বাবে আমি সম্পূৰ্ণ চেষ্টা কৰা উচিত।

হজৰত মছীহ মাওউদ (আঃ) এ কৈছে: উপাসনাৰ দুটা অংশ আছে। এটা হ'ল মানুহে আল্লাহক ভয় কৰা যিটো তেওঁক ভয় কৰাৰ প্ৰকৃত অধিকাৰ, দ্বিতীয় অংশটো হ'ল মানুহে আল্লাহ তা'লাক ভাল পোৱা উচিত, যিটো তেওঁক ভাল পোৱাৰ প্ৰাপ্য অধিকাৰ। কৈছে: ইছলামে এই দুয়োটা আদেশ পালন কৰিবলৈ নামাজৰ এটা পদ্ধতি নিৰ্ধাৰণ কৰিছে য'ত খোদাৰ প্ৰতি ভয়ৰ দিশটো ৰখা হৈছে। আনহাতে

প্ৰেমৰ দিশটো প্ৰকাশ কৰিবলৈ হজ্বৰ ব্যৱস্থা ৰখা হৈছে। শত্ৰুৰ চেষ্টা সদায় এয়াই যে আহমদীসকল যাতে নিজৰ ঈমানৰ (বিশ্বাসৰ) পৰা আঁতৰি যায়, কিন্তু তেওঁলোকে ইয়াত কেতিয়াও সফল হ'ব নোৱাৰে। যিজন শক্তিশালী আহমদী, যাৰ হৃদয়ত বিশ্বাস আছে, তেওঁ কেতিয়াও তেওঁলোকৰ অত্যাচাৰৰ বাবে পিছহুঁহুকি নাহে। আমি চেষ্টা কৰা উচিত যাতে এই দিনবোৰত আমাৰ ইবাদতৰ (উপাসনাৰ) মানদণ্ড অধিক বৃদ্ধি কৰিব পাৰোঁ।

বহুতো পাকিস্তানী আহমদী আছে যাৰ আত্মীয়-স্বজন বিদেশত থাকে। যদি তেওঁলোকে পাকিস্তানত কোৰবানী (উছৰ্গা) কৰিব নোৱাৰে, তেন্তে তেওঁলোকে বিদেশত থকা আত্মীয়ৰ জৰিয়তে কোৰবানী কৰাব পাৰে। আফ্ৰিকাৰ দৰিদ্ৰ দেশবোৰত কোৰবানী দিব পাৰে। যদি কোৰবানী দিয়াত বাধা প্ৰদান কৰা হয়, তেন্তে আল্লাহ তা'লাই কোৰবানী কৰাৰ অন্যান্য মাধ্যমো দিছে। আল্লাহ তা'লাই কৈছে যে দৰিদ্ৰসকলৰ যত্ন ল'বা। তেওঁলোকক আহাৰ খুৱাব লাগে আৰু তেওঁলোকৰ প্ৰয়োজনসমূহৰ প্ৰতি লক্ষ্য ৰাখিব লাগে। আল্লাহ তা'লাই হজ্বৰ সৈতে কোৰবানী ৰাখিছে, কিন্তু কোৰবানীৰ আন বহুতো সুযোগ আছে, সেইবোৰৰ পৰা লাভান্বিত হোৱা উচিত। ইয়াৰ উপৰিও সময় আৰু আৰ্থিক কোৰবানীও আছে, তাৰ বাবেও সম্পূৰ্ণ চেষ্টা কৰিব। যিবোৰ কথা আল্লাহ তা'লাই নিষেধ কৰিছে, সেইবোৰৰ পৰা বিৰত থকাটোও এটা কোৰবানী।

আকৌ কৈছে: ইয়াৰ পিছত 'হুকুকুল ইবাদ' (মানুহৰ অধিকাৰ) অতি গুৰুত্বপূৰ্ণ। ইয়াত স্বামী-স্ত্ৰী, ভাই-ভনী, আত্মীয়-স্বজন সকলোৰে অধিকাৰ অন্তৰ্ভুক্ত হৈ আছে; ওচৰ-চুবুৰীয়া আৰু চুবুৰীয়াৰো অধিকাৰ আছে, এই সকলোবোৰৰ যত্ন লোৱা উচিত। ইছলামে আনকি শত্ৰুৰো অধিকাৰ নিৰ্ধাৰণ কৰি দিছে। অ-মুছলমানসকলৰো অধিকাৰ ৰখা হৈছে। যদি আমি মানুহৰ প্ৰতি থকা আমাৰ কৰ্তব্যসমূহ সম্পূৰ্ণৰূপে পালন কৰোঁ, তেন্তে কেতিয়াবা এই কৰ্তব্যবোৰেও উপাসনাৰ ৰূপ লয়। গতিকে, যদিও আমাক উপাসনা কৰাত বাধা দিয়া হয়, তেন্তে একো পাৰ্থক্য নপৰে। আল্লাহ কেৱল এই কথাত সন্তুষ্ট নহয় যে আপুনি এটা ছাগলী কোৰবানী দিলে, বৰঞ্চ আল্লাহ তা'লা মানুহৰ অধিকাৰ তথা কৰ্তব্য পালনৰ দ্বাৰাহে সন্তুষ্ট হয়।

হাদীছত আহিছে যে তোমালোকৰ মাজৰ কোনো ব্যক্তি তেতিয়ালৈকে মোমিন (প্ৰকৃত বিশ্বাসী) হ'ব নোৱাৰে, যেতিয়ালৈকে তেওঁ নিজৰ ভাতৃৰ বাবেও সেই একেই বস্তু পছন্দ নকৰে, যিটো তেওঁ নিজৰ বাবে পছন্দ কৰে। হুজুৰ (ছাঃ) কৈছে যে তোমালোকে তেতিয়ালৈকে জান্নাতত (স্বৰ্গত) প্ৰৱেশ কৰিব নোৱাৰা যেতিয়ালৈকে তোমালোকে প্ৰকৃত বিশ্বাসী (ঈমানদাৰ) হ'ব নোৱাৰা, আৰু এজনে আনজনক ভাল নাপোৱা। সেয়েহে, আহমদীসকলে নিজৰ মাজৰ সকলো বিবাদ আৰু মনোমালিন্য দূৰ কৰা উচিত, যাতে আমি কেৱল পৰকালৰ স্বৰ্গৰ উত্তৰাধিকাৰী হোৱাই নহয়, বৰঞ্চ এই পৃথিৱীতেই এখন

স্বৰ্গীয় সমাজ গঢ়ি তুলিব পাৰোঁ। বৰ্তমানৰ পৰিস্থিতিত আহমদীসকলে বিশেষকৈ সকলো ব্যক্তিগত দুখ-কষ্ট পাহৰি এক সুন্দৰ সমাজৰ ভেটি স্থাপন কৰা উচিত, যাতে কোনো শত্ৰুৱে আমাৰ মাজত বিভেদ সৃষ্টি কৰিব নোৱাৰে। যদি আমাৰ মাজত ধৰ্মপৰায়ণতা সৃষ্টি হয়, তেতিয়াহে আমি আল্লাহৰ সান্নিধ্য লাভ কৰিব পাৰিম। কোৰবাণী নকৰাকৈও আমি প্ৰকৃত কোৰবাণী কৰোঁতা হ'ব পাৰিম।

হজৰত মছীহ মাওউদ (আঃ) এ কৈছে যে আমাৰ নবী কৰীম (ছাঃ) এ যি জামাত গঠন কৰিছিল, তেওঁলোকৰ প্ৰতিগৰাকীয়েই আছিল পবিত্ৰ আত্মাৰ অধিকাৰী আৰু প্ৰত্যেকেই নিজৰ জীৱন ধৰ্মৰ নামত উৎসৰ্গা কৰিছিল। তেওঁলোকৰ মাজত এজনো মুনাফিক (কপট) নাছিল। হুজুৰ (আইঃ) এ কৈছে যে আল্লাহে যেন আমাৰ ঈদক কেৱল দেখুৱাবলৈ কৰা ঈদ নকৰে, বৰঞ্চ ইয়াক আল্লাহৰ অধিকাৰ (হুকুকুল্লাহ) আৰু মানুহৰ অধিকাৰ (হুকুকুল ইবাদ) পূৰণ কৰাৰ ঈদ হিচাপে গঢ়ি তোলে। আমি যেন তেওঁৰ কৃপা লাভ কৰি আগবাঢ়ি যাব পাৰোঁ। শ্বহীদসকলৰ সন্তানসকলকো দোৱাত মনত ৰখা উচিত যিসকলে বলিদান দিছে। আল্লাহে তেওঁলোকক আৰু তেওঁলোকৰ বংশধৰসকলক নিজৰ সুৰক্ষাত ৰাখক। বন্দীসকলৰ বাবেও দোয়া কৰক। বিশেষকৈ পাকিস্তানত য'ত আইনগতভাৱে বহুতো বাধা-নিষেধ আৰোপ কৰা হৈছে, ইয়াৰ বাবে দোৱা কৰক যাতে আল্লাহে এই বাধা-নিষেধবোৰ আঁতৰাই দিয়ে আৰু আমাক প্ৰকৃততে মুকলিকৈ উপাসনা কৰাৰ অধিকাৰ দান কৰে। সকলো বাধা দূৰ হওক, যাতে আমি স্বাধীনতাৰে পশু কোৰবানী কৰিব পাৰোঁ। আল্লাহে আমাক সেই জ্ঞান দান কৰক যাতে আমি এই বলিদানৰ প্ৰকৃত মৰ্ম বুজি পাওঁ।

খুতবাৰ শেষত হুজুৰে কয় যে ইয়াৰ লগতে মই খুতবা শুনা সকলোকে আৰু ইয়াত উপস্থিত থকা সকলোকে ঈদ মোবাৰক জনাইছোঁ। আল্লাহে এই ঈদক বৰকতময় কৰি তোলক।

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا وَمِنْ سَیِّئَاتِ اَعْمَالِنَا مَن یَّھْدِہِ اللّٰہُ فَلاَ مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلاَ ھَادِیَ لَہٗ وَنَشْھَدُ اَنْ لاَ اِلٰہَ اِلاَّ اللّٰہُ وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ عِبَادَ اللّٰہِ رَحِمَکُمُ اللّٰہُ اِنَّ اللّٰہَ یَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ ۔

Assamese Khulasa Khutba Eidul-Adha Hazur Anowar 06 June 2025

Nazarat Nashor-O-Ishaat Qadian